Date

Page No

দৈনিক জনমভূমি 22/৭ 22/7/2015

সাংবিধানিক ৰক্ষাকৱচৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম শোণিতপুৰৰ খিলঞ্জীয়াৰ

সন্দেহযুক্ত নাগৰিকক ৰক্ষণাবেক্ষণৰ ষড়যন্ত্ৰ

তেজপুৰ ঃ বিশেষ প্ৰতিনিধি, ২১ জুলাই ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ পূৰণ কৰি জমা দিয়াৰ শেষ তাৰিখ প্ৰকৃততে ৩১ জুলাইনে? এই লৈ বিভ্ৰান্তিত পৰিছে খিলঞ্জীয়া জনসাধাৰণ। কাৰণ বিভাগীয়ভাৱে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ পূৰণৰ শেষ তাৰিখ নিৰ্ধাৰণ কৰিছে ৩১ জুলাই। একেই নিৰ্দেশ দিছে দেশৰ উচ্চতম ন্যায়ালয়েও। ইয়াৰ পাছতো ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰ-পত্ৰ পূৰণৰ বাবে শোণিতপুৰ জিলাৰ বিভিন্ন স্থানত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ বাবে স্থাপন কৰা সহায়ক কেন্দ্ৰসমূহে প্ৰ-পত্ৰ সংগ্ৰহ কৰা ব্যক্তিসকলক প্ৰ-পত্ৰ জমা দিয়াৰ দিন আগষ্ট-ছেপ্টেম্বৰ মাহৰ বিভিন্ন তাৰিখ থিৰাং কৰি দিছে। শেহতীয়াকৈ ৩১ জুলাই প্ৰ-পত্ৰ জমা দিয়াৰ শেষ তথা অন্তিম দিন বুলি জানিব পাৰি বিভ্ৰান্তিত পৰিছে নাগৰিকসকল। এই লৈ সহায়ক কেন্দ্ৰবোৰতো চক্ৰ বিষয়া, অতিৰিক্ত উপায়ুক্ত আদি চৰকাৰী বিষয়াক লগ ধৰি উৎসুক ব্যক্তিয়ে জানিব বিচাৰে যদিও সদুত্তৰ লাভ নকৰাৰ অভিযোগ উঠিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম বহু লেহেম গতিত চলাৰ বাবে জনসাধাৰণে হাৰাশাস্তিৰ সন্মুখীন হ'ব লগাত পৰিছে। ইফালে এন আৰ চি প্ৰ-পত্ৰৰ লগত সংলগ্ন কৰি দিব লগীয়া তথ্য বিচাৰি জনসাধাৰণ হাৰাথুৰি খোৱাৰ সময়ত প্ৰয়োজনীয় নথি পত্ৰ সংগ্ৰহ কৰাৰ বাবে চক্ৰ বিষয়া অথবা পঞ্জীয়কৰ কাৰ্যালয়লৈ তাত-বাতি কৰিছে যদিও সংশ্লিষ্ট অথবা বিভাগীয় বিষয়াসকলক লগ নাপাই প্ৰায়েই বিমুখ হৈ উভতি যাব লগা হোৱাৰ ঘটনাই তেজপুৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনকি বিষয়াসকলে এন আৰ চি উন্নীতকৰণত সহযোগিতা নকৰাৰ অভিযোগ উঠিছে। ইফালে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণ প্ৰ-পত্ৰ পূৰণৰ পাছত প্ৰয়োজনীয় তথ্য সংলগ্ন কৰি জমা দিয়া কেন্দ্ৰই প্ৰ-পত্ৰ জমা লোৱাৰ পাছত প্ৰাপ্তি স্বীকাৰ কৰা পত্ৰ জমাকাৰীক প্ৰদান নকৰা ঘটনায়ো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মন কৰিব লগীয়া যে তেজপুৰ চহৰৰ বহুকেইটা ৱাৰ্ডৰ নাগৰিকক প্ৰ-পত্ৰ জমা দিয়াৰ শেষ তাৰিখ ছেপ্টেম্বৰ মাহৰ ৯ তাৰিখলৈকে নিৰ্ধাৰণ কৰি দিছে। প্ৰকৃততে ই কি সূচাইছে? নিৰ্দিষ্ট সময়ত এন আৰ চিৰ প্ৰ-পত্ৰ পূৰণ সম্ভৱ নহ'ব লোকৰ [illegible] অন্তৰ্ভুক্ত হোৱা সন্দেহজনক [illegible] নাম এন আৰ চিত অন্তৰ্ভুক্ত [illegible] চৰকাৰে ভোট বেংক সৃষ্টি [illegible] প্ৰচেষ্টা অব্যাহত [illegible] এনেদৰে বিলম্ব হোৱাৰ [illegible] সমান্তৰালভাৱে প্ৰ-পত্ৰ [illegible] বিভিন্নজনক বিভিন্ন [illegible] ৰেমেজালিৰ সৃষ্টি কৰাৰ [illegible] উত্থাপিত অভিযোগে [illegible] ক্ষুব্ধ কৰি তুলিছে। [illegible] প্ৰ-পত্ৰৰ লগত সংলগ্ন [illegible] নথিসমূহ প্ৰ-পত্ৰ জমা [illegible] নকৰাৰ বাবে বহু [illegible] ফটোষ্টেটৰ জৰিয়তে [illegible]

[illegible] উন্নীতকৰণ [illegible] শিথিল [illegible] উন্নীতকৰণ [illegible] প্ৰকৃততে [illegible] নাগৰিকক [illegible] কৰিছে [illegible] এই [illegible] ফটোষ্টেট কৰি [illegible] দিয়াৰ ব্যৱস্থা [illegible] নাগৰিকক [illegible]